# খোতবা জুমা

**ছৈয়দেনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ৭ মে তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা প্ৰাপ্ত খলিফা ৰাশেদিন ফাৰুকে আজিম হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ পৱিত্ৰ গুণাৱলী সম্পৰ্কে বৰ্ণনা আৰু ৰমজান মাহটোত যিবোৰ নেকি অৰ্জন কৰাৰ তৌফিক পোৱা গৈছে তাৰ বৰ্ণনা আৰু দৰূদ চৰিফ আৰু ইস্তেগফাৰ এই পৱিত্ৰ ৰমজানৰ পিছতো জাৰি ৰখাৰ আৰু বিশেষ ভাৱে দোৱাৰ মাজত মনোনিৱেশ কৰাৰ আহ্বান**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ۔ الرَّحْمٰنِ الرَّحِيْمِ ۔ مٰلِكِ يَوْمِ الدِّيْنِ ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে হজৰত উমৰ (ৰাঃ)ৰ কবুলে ইছলাম সম্পৰ্কে বৰ্ণনা চলি আছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই সম্পৰ্কে বৰ্ণনা কৰিছে যে হজৰত উমৰ (ৰাঃ)য়ে প্ৰথমেৰে পৰাই ধাৰাবাহিক ভাৱে ইছলামৰ বিৰোধীতা কৰি আহিছিল। এনেতে এদিন তেখেতৰ মনত এয়া জাগ্ৰত হৈছিল যে আন সকলোবোৰ চেষ্টা এৰি এই নতুন ধৰ্মটোৰ প্ৰতিষ্ঠাতা জনকেই শেষ কৰি দিয়া যাওঁক। গতিকে এই বুলি তেখেত (ৰাঃ)য়ে উন্মোক্ত তৰোৱালখন হাতত লৈ ঘৰৰ পৰা ওলাই পৰে। বাটতে কোনো এজন ব্যক্তিয়ে হজৰত উমৰ (ৰাঃ)ক জনাইছিল যে তেখেত (ৰাঃ)ৰ ভনী আৰু তাইৰ গিৰিয়েক দুয়োজনে ইছলাম গ্ৰহণ কৰিছে। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে পোনে পোনে ভনীয়েকৰ ঘৰত গৈ উপস্থিত হওঁতেই এজন চাহাবীয়ে ভিতৰত কোৰ-আন কৰিম পঢ়ি থকাৰ শব্দ শুনিবলৈ পাইছিল। মাত দিয়াৰ পিছতও ঘৰৰ দৰ্জা খুলি দিয়াত পলম হোৱাৰ বাবে হজৰত উমৰ (ৰাঃ)ৰ খঙে চুলিৰ আগ পাইছিলগৈ। দৰ্জা খুলি দিয়াৰ লগে লগে এখেত (ৰাঃ)য়ে নিজৰ ভিনিহিয়েকক ইছলাম গ্ৰহণ কৰি লোৱা সম্পৰ্কে প্ৰশ্ন কৰে। তেতিয়া ভিনিহিয়ে পৰিস্থিতি চাই বিষয়টো লুকুৱাব বিচৰাত হজৰত উমৰ (ৰাঃ)য়ে তাক মাৰিবলৈ উদ্যত হয়। পৰিস্থিতি বিষম দেখি তেখেত (ৰাঃ)ৰ ভনীয়েকে আহি দুয়োৰে মাজত আহি থিয় দিয়াৰ লগে লগে হজৰত উমৰ (ৰাঃ)ৰ প্ৰহাৰ কৰিবলৈ লোৱা হাতখন আহি তাইৰ নাকত আঘাত হানে আৰু নাকেৰে তেজ বৈ আহে। হজৰত উমৰ (ৰাঃ) এজন কোমল অনুভূতি সম্পন্ন লোক আছিল। গতিকে ভনীয়েকৰ এনে অৱস্থা চাই তেখেতৰ হৃদয়ত কোমলতা আৰু চেনেহৰ ভাৱ জাগ্ৰত হৈ পৰিছিল আৰু তেখেত (ৰাঃ)য়ে ভনীয়েকক পঢ়ি থকা সেই কোৰ-আন কৰিমৰ পৃষ্ঠাখন দেখুৱাবলৈ নিবেদন কৰিছিল। তাৰ পিছত ভনীয়েকে কোৱা মতেই হজৰত উমৰ (ৰাঃ)য়ে গা ধুই আহি কোৰ-

আন কৰিমৰ সেই আয়াত পঢ়িছিল। যিহেতু তেখেত (ৰাঃ)ৰ অন্তৰত এক জাগৰণৰ সৃষ্টি হৈছিল সেয়ে তেখেত (ৰাঃ)য়ে সেই আয়াতবোৰ পঢ়ি শেষ কৰাৰ লগে লগেই কলিমা শ্বাহাদত পাঠ কৰিছিল। তাৰ পিছত লগে লগে তাৰ পৰা উঠি উন্মোক্ত তৰোৱালখন হাতত লৈয়ে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত দ্বাৰে আৰকমত গৈ উপস্থিত হৈছিল। হজৰত উমৰ (ৰাঃ)ক তেনেদৰে উন্মোক্ত তৰোৱাল হাতত লৈ দুৱাৰ মুখত থিয় থকা দেখি চাহাবা সকলৰ মনত সন্দেহ উপজিছিল। তেতিয়া হজৰত হামজা (ৰাঃ)য়ে কৈছিল যে দৰ্জা খুলি দিয়া, মই দেখিম তেওঁ কি কৰে। দৰ্জা খুলি দিয়াৰ লগে লগে হজৰত উমৰ (ৰাঃ)য়ে আগবাঢ়ি গৈ ৰছুলুল্লাহ (ছাঃ)ৰ খিদমতত নিবেদন  কৰে যে ইয়া ৰছুলুল্লাহ! মই আপোনাৰ গোলাম হ'বলৈ আহি উপস্থিত হৈছো। সেইজন উমৰ যিজনে এঘণ্টা আগত ইছলামৰ ঘোৰ শত্ৰু আছিল আৰু ৰছুলুল্লাহ (ছাঃ)ক মাৰি পেলোৱাৰ উদ্দেশ্যে ঘৰৰ পৰা ওলাই আহিছিল, এটা নিমিষতে তেওঁ উচ্চ পৰ্যায়ৰ মোমিনৰ শ্ৰেণীত পদাৰ্পন কৰিছিল।

প্ৰথম আৰম্ভণীৰ সময়ত ইছলামত মাত্ৰ দুজন ব্যক্তিক মুছলমান সকলৰ মাজত বীৰ পুৰুষ বুলি ধৰা হৈছিল, তাৰে এজন আছিল হজৰত উমৰ (ৰাঃ) আনজন আছিল হজৰত হামজা (ৰাঃ)। যেতিয়া এওঁলোক দুজনে মুছলমান হৈছিল তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে এওঁলোক দুজনৰ আবেদন অনুযায়ী খানা কাবাত মুকলি ভাৱে ঘোষণা কৰি নমাজ আদায় কৰিছিল।

হজৰত উমৰ (ৰাঃ)ৰ ইছলাম গ্ৰহণৰ খবৰ প্ৰচাৰ হোৱাৰ লগে লগে মক্কাৰ কাফিৰ সকলে আহি এখেত (ৰাঃ)ৰ ঘৰ অৱৰুধ কৰিছিল। এনেতে মক্কাৰ এজন প্ৰভুত্বশালী চৰ্দাৰ আচ বিন ওৱায়েল আহি হজৰত উমৰ (ৰাঃ)ক নিজৰ আশ্ৰয়ত লোৱাৰ ঘোষণা কৰে; এনেদৰে হজৰত উমৰ (ৰাঃ)য়ে কিছুদিন নিৰাপদেই আছিল কিন্তু এনে পৰিস্থিতিত থকাটো তেখেতৰ দ্বীনি আগ্ৰহৰ ওপৰত হেঙাৰ হৈ পৰাত তেখেতে আৰু সহ্য কৰিব পৰা নাছিল,সেয়ে আচ বিন ওৱায়েলৰ আশ্ৰয়ৰ পৰা ওলাই আহিছিল। হজৰত উমৰ (ৰাঃ)য়ে কৈছে যে আচৰ আশ্ৰয় এৰি অহাৰ পিছৰে পৰা মই মক্কাৰ অলিয়ে-গলিয়ে কাফিৰ সকলৰ মাৰ পিট খাই ফুৰিছিলোঁ। হজৰত ছৈয়দ জয়নুল আবেদিন অলিউল্লাহ শ্বাহ চাহাবে লিখিছে যে আচ বিন ওৱায়েলৰ কবিলা বনু ছুহম আৰু হজৰত উমৰ (ৰাঃ)ৰ কবিলা বনু আদি পৰস্পৰে বন্ধু আছিল। এই বন্ধুত্ব আৰু চুক্তি ৰক্ষাৰ্থে আচ বিন ওৱায়েলে নিজৰ নৈতিক দায়িত্ব হিচাপে হজৰত উমৰ (ৰাঃ)ক সহায় কৰিছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে লক্ষ্য কৰা! ৰছুলে কৰিম (ছাঃ)ৰ কিমান ঘোৰ শত্ৰু আছিল অথচ ক্ষণিকতে এখেত (ৰাঃ)ৰ হৃদয়ত কেনে পৰিৱৰ্তন সাধিত হ'ল। হজৰত উমৰ (ৰাঃ)য়ে যিজনে এসময়ত ইছলামৰ বিৰুদ্ধে নেতৃত্ব লৈ ফুৰিছিল। যেতিয়াই তেখেতে ইছলাম গ্ৰহণৰ সৌভাগ্য লাভ কৰিছিল; তেতিয়াৰে পৰাই দ্বীনৰ কল্যাণাৰ্থে নিজৰ প্ৰাণ-পণত ঢালি দিছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ ইছলাম কবুলৰ ঘটনা বৰ্ণনা কৰোঁতে আবু জাহিলৰ ৰছুলুল্লাহ (ছাঃ)ক হত্যা কৰি দিবলৈ পুৰস্কাৰ ঘোষণা আৰু হজৰত উমৰ (ৰাঃ)য়ে ৰাতিৰ বেলিকা খানা কাবাত আঁ-হজৰত (ছাঃ)ক দোৱা কৰোঁতে শুনিবলৈ পোৱা সম্পৰ্কে বৰ্ণনা কৰাৰ পিছত কৈছে যে হজৰত উমৰ (ৰাঃ)য়ে নিজে বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে ছিজদাত পৰি ইমানেই কান্দি কান্দি দোৱা কৰিছিল যে মোৰ হিয়াত কপনি উঠি গৈছিল। সেই দোৱাবোৰ শুনি মোৰ কলিজা বিদীৰ্ণ হৈ গৈছিল। অৱশেষত সত্যৰ ভয়ত মোৰ হাতৰ পৰা তৰোৱাল জমিনত পৰি গৈছিল আৰু মই আঁ-হজৰত (ছাঃ)ৰ এনেকুৱা অৱস্থা চাই বুজি পাইছিলো যে এইজন সত্য আৰু এদিন নিশ্চয় বিজয়ী হ'ব। আন এঠাইত হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে অৱশেষত হজৰত উমৰ (ৰাঃ)য়ে মুছলমান হৈছিল আৰু সেইবিলাক বন্ধুত্ব আৰু সম্পৰ্ক যি আবু জাহিলৰ সৈতে আৰু অন্যান্য

বিৰুদ্ধবাদী সকলৰ সৈতে আছিল সেয়া সম্পূৰ্ণৰূপে ছেদ হৈ পৰিছিল। আৰু ইয়াৰ সলনি এটা নতুন ভাতৃত্ববোধৰ জন্ম হৈছিল,য'ত হজৰত আবু বক্কৰ (ৰাঃ) আৰু আন আন চাহাবা সকলক লগ পাইছিল আৰু পিছলৈ হজৰত উমৰ (ৰাঃ)য়ে সেই পুৰণি সম্পৰ্কবোৰলৈ কেতিয়াও মনত পেলোৱা নাছিল।

হজৰত উমৰ (ৰাঃ)ৰ কবুলে ইছলাম সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)ৰ তিনিটা ভিন্ন ভিন্ন বৰ্ণনা উল্লেখ কৰাৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই তিনিওটা বৰ্ণনাৰ মাজত ৰাতিত হজৰত উমৰ (ৰাঃ)য়ে খানা কাবাত উপস্থিত থকাৰ আৰু আক্ৰমণৰ বিষয়ে উল্লেখ আছে। সম্ভৱত ইয়াৰ পিছত আকৌ নিজৰ প্ৰবৃত্তিৰ প্ৰলোভনত দিনতেই আক্ৰমণাত্মক ভাৱ লৈ আঁ-হজৰত (ছাঃ)ৰ ফালে ওলাই পৰিছিল আৰু এই ভাই-ভনীৰ মাজত মাৰ-পিটৰ ঘটনা সংগঠিত হৈছিল।

হজৰত ইবনে উমৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে যেতিয়া হজৰত উমৰ (ৰাঃ)য়ে ইছলাম গ্ৰহণ কৰিছিল তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে এয়া দোৱা কৰি কৰি তিনিবাৰ তেখেত (ছাঃ)য়ে নিজৰ বুকুত হাত মাৰিছিল যে হে আল্লাহ ! তাৰ বুকুৰ মাজত যিমান হিংসা বিদ্বেষ আছে, সেয়া তুমি দূৰ কৰি দিয়া আৰু তাক ঈমানেৰে পূৰ কৰি দিয়া।

এবাৰ হজৰত উমৰ (ৰাঃ)য়ে আঁ-হজৰত (ছাঃ)ক কৈছিল যে আপুনি মোৰ ওচৰত মোৰ প্ৰাণৰ বাহিৰে সকলো বস্তুতকৈ বেছি প্ৰিয়। তেতিয়া নবী কৰিম (ছাঃ)য়ে কৈছিল- তোমালোকৰ ঈমান সেই সময়লৈকে সম্পূৰ্ণৰূপে গঠিত নহয় যেতিয়ালৈকে মই তোমালোকৰ প্ৰাণাআধিক প্ৰিয় হৈ নাযাওঁ। হজৰত উমৰ (ৰাঃ)য়ে নিবেদন কৰিছিল যে আল্লাহৰ শপত এতিয়া আপুনি মোৰ ওচৰত মোৰ প্ৰাণতকৈয়ো বেছি প্ৰিয় ভাজন হৈ পৰিছে। তেতিয়া নবী কৰিম (ছাঃ)য়ে কৈছিল- হয় ! এতিয়া ঠিক আছে।

হজৰত উমৰ (ৰাঃ)ৰ মদিনালৈ হিজৰত কৰা সম্পৰ্কে হজৰত আলি (ৰাঃ)ৰ এয়া ৰিৱায়ত পোৱা যায় যে হজৰত উমৰ (ৰাঃ)য়ে মক্কাৰ পৰা মদিনালৈ হিজৰত কৰাৰ সিদ্ধান্ত লৈ পেলাই তৰোৱাল আৰু তীৰ কামান লগতে লৈ খানা কাবাত গৈ উপস্থিত হৈছিল আৰু ঘোষণা কৰিছিল যে যিয়ে বিচাৰে যে তাৰ মাকে তাক হেৰাই পেলাওঁক,সন্তান এতিম (মাউৰা) হৈ যাওঁক আৰু পত্নী বিধৱা হৈ যাওঁক তেওঁ মোক আহি এই অঞ্চলৰ পাৰত লগ ধৰক (অৰ্থাৎ হজৰত উমৰ (ৰাঃ)ক বাধা দিয়ক)

এনেদৰে মুকলি ভাৱে কৰা হিজৰত সম্পৰ্কে এয়াই এটা মাত্ৰ ৰিৱায়ত বৰ্ণিত পোৱা যায় আৰু বেছি ভাগ জীৱনীমূলক গ্ৰন্থত ইয়াৰ বিপৰীতে বিভিন্ন মতৰ উল্লেখ পোৱা যায়। উদাহৰণ স্বৰূপে মহম্মদ হুছেইন হাইকল এই বিষয়ে বিতৰ্ক উত্থাপন কৰিছে যে আঁ-হজৰত (ছাঃ)য়ে সকলোকেই মনে মনে থাকি হিজৰত কৰাৰ আদেশ দিছিল, তেনে ক্ষেত্ৰত হজৰত উমৰ (ৰাঃ)য়ে কেনেকৈ এই আদেশ অৱমাননা কৰিব পাৰে।

মুহাজেৰিণ সকলৰ মাজত হজৰত মুচাআব বিন উমেৰ (ৰাঃ)আৰু হজৰত ইবনে উম্মে মকতুম (ৰাঃ)ৰ পিছত হজৰত উমৰ (ৰাঃ)য়ে ২০ জন লোক লগত লৈ মদিনাত গৈ উপস্থিত হৈছিল। কুবাত তেখেতে ৰুফাআ বিন আব্দুল মনজৰৰ অতিথি হৈ আছিল। মক্কাত থাকোতে আঁ-হজৰত (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ সৈতে এখেত (ৰাঃ)ৰ ভাতৃত্ব বন্ধন পাতি দিছিল আকৌ মদিনালৈ যোৱাৰ পিছত হজৰত আউৱায়েম বিন ছাআদৰ সৈতে ভাতৃত্ব বন্ধন প্ৰতিষ্ঠা কৰি দিছিল। হজৰত মিৰ্জা বশিৰ আহমদ চাহাবে লিখিছে যে হজৰত উমৰ (ৰাঃ)ৰ ভাতৃত্ব বন্ধন হজৰত উতবান বিন মালিকৰ সৈতে স্থাপন কৰি দিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে আজানৰ প্ৰচলন সম্পৰ্কে উল্লেখ কৰোঁতে কৈছে যে হজৰত আব্দুল্লাহ বিন জায়েদ (ৰাঃ)ক আল্লাহ তা'লাই সপোনত আজানৰ শব্দ বিলাক শিকাইছিল আৰু এখেত (ৰাঃ)ৰ সপোনৰ ওপৰত

নির্ভৰ কৰি আঁ-হজৰত (ছাঃ)য়ে মুছলমান সকলৰ মাজত আজানৰ প্ৰচলন কৰে। হজৰত উমৰ (ৰাঃ)য়ে কৈছে যে খোদা তা'লাই মোকেও সপোনত আজানৰ এই শব্দ বিলাকেই শিকাইছিল কিন্তু এজনে এই কথাবোৰ ইতিমধ্যে বৰ্ণনা কৰিছে সেয়ে মই আজি বিশ দিনলৈকে মনে মনে আছিলো।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উমৰ (ৰাঃ)ৰ স্মৃতি মন্থনমূলক বৰ্ণনা ইনশা আল্লাহ আগলৈ আৰু চলিব। আজি এই ৰমজান মাহৰ শেষ জুমা হ'ব। ৰমজান মাহত যিবোৰ নেকি আমি অৰ্জন কৰাৰ তৌফিক লাভ কৰিছোঁ,সেইবোৰ ৰমজান মাহ যোৱাৰ পিছতও অৰ্থাৎ সদায় জাৰি ৰাখিবলৈ চেষ্টা কৰিব লাগিব। যোৱা জুমাৰ দিনা মই দৰূদ চৰিফ আৰু ইস্তেগফাৰৰ ফালে মনোযোগ আকৰ্ষণ কৰিছিলোঁ সেয়া কেৱল ৰমজান মাহৰ বাবেই সীমাবদ্ধ নহয়। আজি কালি যিহেতু দাজ্জালী ষড়যন্ত্ৰই নতুন নতুন কৌশল অৱলম্বন কৰিবলৈ লৈছে,আমি সেইবোৰ চয়তানী আৰু দাজ্জালী আক্ৰমণৰ পৰা নিজৰ ল'ৰা-ছোৱালী বিলাকক ৰক্ষা কৰিবলৈ এওঁলোকক খোদা তা'লাৰ সত্তা আৰু ইছলামৰ অনাবিল সুন্দৰ শিক্ষাত শিক্ষিত কৰাৰ প্ৰয়োজন আছে। এয়া তেতিয়াহে সম্ভৱ হ'ব যেতিয়া খোদা তা'লাৰ সৈতে আমাৰ সম্পৰ্ক দৃঢ় হ'ব। তেতিয়া আমাৰ নমাজ আৰু সকলো ইবাদতৰ মান উন্নত হ'ব। বুজুৰ্গ লোকেই হওঁক বা প্ৰাথমিক যুগৰ আহমদী সকলৰ সন্তানেই হওঁক অথবা যিসকলে আহি নিজৰ ইচ্ছাত বয়াত কৰিছে তেওঁলোকেই হওঁক সকলোৱে মনত ৰখা উচিত হ'ব যে ধৰ্মক পাৰ্থিৱতাৰ ওপৰত প্ৰাধান্য দি নিজৰ অৱস্থাৰ ওপৰত দৃষ্টি দিলেহে আমি আমাক আৰু আমাৰ ভৱিষ্যৎ প্ৰজন্ম ৰক্ষা কৰিব পাৰিম।

বৰ্তমান ক'ৰণা মহামাৰীৰ আক্ৰমণ যি পৃথিৱীত বিয়পি পৰিছে তাৰ পৰা ৰক্ষা পাবলৈ আৰু আল্লাহ তা'লাৰ দয়া লাভ কৰিবলৈ বেছি বেছি দোৱা কৰি থাকক। পাকিস্তানৰ আহমদী সকলে বিশেষ ভাৱে ছাদকা,খায়ৰাত আৰু দোৱাৰ ওপৰত জোৰ দিয়া উচিত। **ৰাববি কুল্লি শ্বায়য়িন খাদিমুকা ৰাববি ফাহফিজনি ওৱানছুৰনি ওৱাৰহামনি** আৰু **আল্লাহুম্মা ইন্না নাজআলুকা ফি নুহুৰিহিম ওৱা নায়ুজুবিকা মিন শ্বুৰুৰিহিম** এই দোৱাবোৰ বেছিকৈ পঢ়ক। ৰমজান মাহত যেনেকৈ নমাজৰ যত্ন লোৱা হয়,ৰমজানৰ পিছতও এনেদৰেই জাৰি ৰাখিব লাগিব। সকলো ধৰণৰ ফিৎনা আদিৰ পৰা ৰক্ষা পাবলৈ,মুছলমান আৰু সমূহীয়া ভাৱে মানৱজাতিৰ বাবে দোৱা কৰিব। আল্লাহ তা'লা সকলোকে ইয়াৰ বাবে তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهُ وَنَشْهَدُ أَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**